International Federation of Library Associations and Institutions

UNESCO IFAP — Information for All Programme

# 'আই এফ এল এ'ৰ ৰাজহুৱা পুথিভঁৰাল ইস্তাহাৰ – ২০২২

স্বাধীনতা, সমৃদ্ধি তথা সমাজৰ লগতে ব্যক্তিসত্বাৰ বিকাশসাধন হৈছে মৌলিক মানৱীয় প্ৰমূল্য। এক সক্ৰিয় সামাজিক ভূমিকা পালন কৰা, গণতান্ত্ৰিক অধিকাৰ সম্পৰ্কে ভালদৰে অৱগত সচেতন নাগৰিকসমাজৰ দক্ষতাইহে এই প্ৰমূল্যসমূহৰ আহৰণ সম্ভৱপৰ কৰি তোলে। এক ফলপ্ৰসূ শিক্ষাব্যৱস্থাৰ লগতে এক গঠনমূলক অংশগ্ৰহণ আৰু গণতন্ত্ৰৰ সঠিক বিকাশ সাধনৰ হেতু জ্ঞান, চিন্তা, সংস্কৃতি আৰু তথ্যৰ বিনামূলীয়া তথা সীমাহীন উপলব্ধতাৰ ওপৰতো নিৰ্ভৰ কৰিবলগীয়া হয়।

জ্ঞানৰ বাটচ'ৰাস্বৰূপ ৰাজহুৱা পুথিভঁৰালসমূহে ব্যক্তিসত্বা আৰু সামাজিক গোটসমূহৰ আজীৱন শিক্ষণ, স্বতন্ত্ৰ সিদ্ধান্ত গ্ৰহণ আৰু সাংস্কৃতিক বিকাশৰ বাবে এক মৌলিক সুবিধা প্ৰদান কৰে। এইসমূহে বাণিজ্যিক, প্ৰযুক্তিগত বা আইনী বাধাসমূহ একাষৰীয়া কৰি বৈজ্ঞানিক আৰু স্থানীয় জ্ঞানকে ধৰি সকলো প্ৰকাৰৰ জ্ঞানৰ উপলব্ধতাৰ লগতে সৃষ্টি আৰু বিনিময়ৰ বাবে সামৰ্থবান কৰি সুস্থ জ্ঞান-সমাজসমূহৰ ভেঁটি মজবুত কৰে।

প্ৰতিখন দেশতে, কিন্তু বিশেষকৈ উন্নয়নশীল বিশ্বত পুথিভঁৰালসমূহে শিক্ষা আৰু জ্ঞান-সমাজ তথা সামুদায়িক সাংস্কৃতিক জীৱনত অংশগ্ৰহণৰ অধিকাৰ যিমান পাৰি সিমান লোকৰ বাবে সুলভ হোৱাটো নিশ্চিত কৰাত সহায় কৰে।

এই ইস্তাহাৰত শিক্ষা, সংস্কৃতি, অন্তৰ্ভুক্তি আৰু তথ্যৰ বাবে এক প্ৰাণৱন্ত শক্তিস্বৰূপ, বহনক্ষম উন্নয়নৰ এক অপৰিহাৰ্য অনুঘটক আৰু সকলোৰে ব্যক্তিপৰ্যায়ৰ শান্তিৰ লগতে আধ্যাত্মিক কল্যাণ সিদ্ধি কৰাৰ কাৰণ হিচাপে ৰাজহুৱা পুথিভঁৰালসমূহৰ ওপৰত ইউনেস্ক'ৰ বিশ্বাস ঘোষণা কৰা হৈছে।

সেয়েহে ইউনেস্ক'ই ৰাষ্ট্ৰীয় আৰু স্থানীয় চৰকাৰসমূহক ৰাজহুৱা পুথিভঁৰালসমূহৰ উন্নয়নত সহায় আগবঢ়োৱাৰ লগতে সক্ৰিয়ভাৱে জড়িত হ'বলৈয়ো উদ্‌গনি দিয়ে।

## ৰাজহুৱা পুথিভঁৰাল

ৰাজহুৱা পুথিভঁৰালসমূহ ইয়াৰ ব্যৱহাৰকাৰীসকলৰ বাবে সকলো ধৰণৰ জ্ঞান আৰু তথ্য সহজলভ্য কৰা এক স্থানীয় তথ্য কেন্দ্ৰ। তথ্যৰ সুলভতা আৰু অৰ্থপূৰ্ণ ব্যৱহাৰ সুনিশ্চিত কৰাৰ কাৰণে যোগাযোগৰ ন ন মাধ্যমসমূহৰ সৈতে সামঞ্জস্য ৰাখি চলি অহা এইসমূহ জ্ঞান-সমাজৰ এক অপৰিহাৰ্য উপাদান। এইসমূহে জ্ঞান উৎপাদন, তথ্য আৰু সাংস্কৃতিক বিনিময়ৰ লগতে নাগৰিক সমাজৰ মতবিনিময়ৰ কাৰণে এক সুলভ ৰাজহুৱা স্থান প্ৰদান কৰে।

সমূদায় একোটাহঁতৰ সৃষ্টিকৰ্তা পুথিভঁৰালসমূহে, স্থানীয় প্ৰয়োজনীয়তাসমূহ পূৰণ কৰি জীৱনৰ মানদণ্ড উন্নত কৰাত অৰিহণা যোগোৱা সেৱা আৰ্হিসমূহৰ সহায় হোৱাকৈ নতুন দৰ্শকৰ সৈতে সক্ৰিয় আৰু ফলপ্ৰসূভাৱে যোগাযোগ আৰু মত-বিনিময় কৰে। জনসাধাৰণে তেওঁলোকৰ পুথিভঁৰালসমূহৰ ওপৰত বিশ্বাস ৰাখে আৰু তাৰ বিপৰীতে পুথিভঁৰালসমূহেও তেওঁলোক জড়িত হৈ থকা সমূদায়সমূহক সজাগ আৰু সচেষ্ট হোৱাৰ লক্ষ্যত ব্ৰতী হয়।

জাতি, ধৰ্ম, ভাষা, বৰ্ণ, বয়স, লিংগ, সামাজিক মৰ্যদা বা অন্যান্য শ্ৰেণীগত বৈশিষ্ট্য নিৰ্বিশেষে সকলোৰে বাবেই ৰাজহুৱা পুথিভঁৰালৰ সেৱাসমূহ সমানেই মুকলি হৈ থাকে। সাধাৰণ সেৱা তথা সামগ্ৰীৰ ব্যৱহাৰ-অক্ষম বিশেষ শ্ৰেণীৰ লোকৰ কাৰণে, যেনে ভাষিক সংখ্যালঘু, দিব্যাংগ, আভাসী ব্যৱস্থা বা কম্পিউটাৰ চলোৱাত অক্ষম বা দুৰ্বল লোক, কম শিক্ষিত বা কাৰাগাৰ অথবা চিকিৎসালয়ত থকা ব্যক্তিসকলৰ কাৰণে এইবোৰত বিশেষ সেৱা আৰু সামগ্ৰীৰো ব্যৱস্থা কৰিব লাগে।

সকলো বয়সৰ লোকৰেই প্ৰয়োজন পূৰাব পৰাকৈ ইয়াত তথ্য সামগ্ৰী থাকিব লাগে। সকলো ধৰণৰ আধুনিক মিডিয়া আৰু প্ৰযুক্তিবিদ্যাৰ লগতে পাৰম্পৰিক তথ্যাদিও পুথিভঁৰালৰ সংগ্ৰহ আৰু সেৱাসমূহৰ অন্তৰ্ভুক্ত হোৱা উচিত। উচ্চ গুণগত মান, স্থানীয় প্ৰয়োজনীয়তা অনুযায়ী প্ৰাসংগিকতা তথা স্থিতি আৰু লগতে সমূদায়টোৰ সাংস্কৃতিক আৰু ভাষাগত বৈচিত্ৰক প্ৰতিফলিত কৰাটো এইক্ষেত্ৰত অপৰিহাৰ্য। পুথিভঁৰাল এটাৰ সংগ্ৰহে সাম্প্ৰতিক ধাৰা আৰু সমাজ বিৱৰ্তনৰ দলিলৰ লগতে মানুহৰ কল্পনা তথা প্ৰচেষ্টাৰ সোঁৱৰণকো প্ৰতিফলন কৰা উচিত।

পুথিভঁৰালৰ সংগ্ৰহ আৰু সেৱাৰাজি কোনোধৰণৰ মতাদৰ্শজনিত, ৰাজনৈতিক অথবা ধাৰ্মিক চেঞ্চৰশ্বিপ  অথবা বাণিজ্যিক চাপৰ দ্বাৰা প্ৰভাৱিত হোৱা উচিত নহয়।

## ৰাজহুৱা পুথিভঁৰালৰ লক্ষ্যসমূহ

তথ্য, সাক্ষৰতা, শিক্ষা, অন্তৰ্ভুক্তি, নাগৰিক অংশগ্ৰহণ আৰু সংস্কৃতিৰ সৈতে জড়িত নিম্নোল্লিখিত মূল লক্ষ্যসমূহ ৰাজহুৱা পুথিভঁৰাল সেৱাব্যৱস্থাৰ কেন্দ্ৰত অৱস্থান কৰিব লাগে। এই মূল লক্ষ্যসমূহ সাধনৰ জৰিয়তে ৰাজহুৱা পুথিভঁৰালসমূহে বহনক্ষম উন্নয়নৰ উদ্দেশ্য পূৰণ কৰে আৰু অধিক সমমাত্ৰিক, মানৱীয় আৰু বহনক্ষম সমাজ নিৰ্মাণতো অৰিহণা যোগায়।

- চেঞ্চৰশ্বিপৰ পৰা মুক্ত বিস্তৃত পৰিসৰৰ তথ্য আৰু ধাৰণাসমূহৰ উপলব্ধতা সুনিশ্চিত কৰা, সকলো স্তৰৰে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ লগতে জীৱনৰ বিভিন্ন পৰ্যায়ত থকা লোকৰ বাবে চলিত, স্বেচ্ছামূলক আৰু স্ব-পৰিচালিত জ্ঞানৰ সন্ধান সুলভ কৰি আজীৱন শিক্ষণলৈয়ো সমৰ্থন আগবঢ়োৱা;

- ব্যক্তি পৰ্যায়ত সৃষ্টিশীল উত্তৰণৰ সুযোগ প্ৰদান কৰা আৰু কল্পনা, সৃষ্টিশীলতা, কৌতুহল আৰু সহানুভূতিৰ ভাৱসমূহক উদ্দীপিত কৰা;

- জন্মৰ পৰা প্ৰাপ্তবয়স্ক হোৱালৈকে শিশুৰ কাৰণে পঢ়াৰ অভ্যাস সৃষ্টি আৰু শক্তিশালী কৰা;

- পঢ়ন আৰু লিখন দক্ষতা গঢ়ি তোলাৰ বাবে সাক্ষৰতা কাৰ্যসূচী আৰু অনুষ্ঠান আৰম্ভ কৰাৰ লগতে সমৰ্থন তথা অংশগ্ৰহণ কৰোৱা, আৰু এক সজাগ, গণতান্ত্ৰিক সমাজ সজ্জিত কৰাৰ মনোভাৱেৰে সকলো বয়সৰ সকলো লোকৰ বাবে সংযোগ আৰু তথ্য ভিত্তিক সাক্ষৰতা তথা ডিজিটেল সাক্ষৰতা বিকাশৰ সুবিধা প্ৰদান কৰা;

- তথ্য, সংগ্ৰহ আৰু কাৰ্য্যক্ৰমসমূহ যথাসম্ভৱ উপলব্ধ কৰিব পৰাকৈ ডিজিটেল প্ৰযুক্তিৰ জৰিয়তে সংলগ্ন সমূদায়সমূহক ব্যক্তি পৰ্যায়ত অথবা দূৰৱৰ্তীভাৱেও সেৱাসমূহ প্ৰদান কৰা;

- সামাজিক তন্ত্ৰৰ মূলত পুথিভঁৰালৰ ভূমিকাক স্বীকৃতি দি সকলো মানুহৰ বাবে সকলো ধৰণৰ সামূহিক তথ্য আৰু সমূদায় সংগঠনৰ সুযোগ-সুবিধা নিশ্চিত কৰা;

- পুথিভঁৰালসমূহৰ সৈতে সংলগ্ন সমূদায়সমূহৰ কাৰণে গৱেষণাৰ ফলাফল আৰু স্বাস্থ্য তথ্যৰ দৰে ব্যৱহাৰকাৰীসকলৰ জীৱনত প্ৰভাৱ পেলাব পৰা বৈজ্ঞানিক জ্ঞান লাভৰ সুবিধা প্ৰদান কৰাৰ লগতে বৈজ্ঞানিক অগ্ৰগতিত অংশগ্ৰহণ কৰিবলৈ সমৰ্থবান কৰা;

- স্থানীয় উদ্যোগ, সংঘ আৰু বিশেষ স্বাৰ্থজড়িত গোটসমূহক পৰ্যাপ্ত তথ্য সেৱা প্ৰদান কৰা;

- মৌখিক পৰম্পৰাকে ধৰি থলুৱা আৰু দেশীয় তথ্য, জ্ঞান আৰু ঐতিহ্যৰ সংৰক্ষণৰ লগতে সহজলভ্যকৰণৰ লগতে স্থানীয় সমূদায়সমূহৰ কাৰণে এনে এক পৰিৱেশ প্ৰদান কৰা য'ত থলৰা সমূদায়টোৰ ইচ্ছা অনুযায়ী  সংৰক্ষণ আৰু ভাগ-বতৰা কৰিবলগীয়া সামগ্ৰীৰ চিনাক্তকৰণত সক্ৰিয় ভূমিকা ল'ব পাৰে;

- আন্তঃসাংস্কৃতিক আলোচনা-বিলোচনাক লালন-পালন কৰা আৰু সাংস্কৃতিক বৈচিত্ৰ্যৰ পক্ষপাতিত্ব কৰা;

- সাংস্কৃতিক অভিব্যক্তি আৰু ঐতিহ্যৰ সংৰক্ষণ তথা অৰ্থপূৰ্ণ প্ৰাপ্তি, শিল্পকলাৰ প্ৰশংসা আৰু পৰম্পৰাগত সংবাদ মাধ্যমত প্ৰকাশ পোৱা বৈজ্ঞানিক জ্ঞান, গৱেষণা অথবা উদ্ভাৱনৰ সুলভ প্ৰাপ্তিৰ  লগতে আভাসীকৃত আৰু জন্মগতভাৱেই আভাসী তথ্য-সামগ্ৰীসমূহৰ প্ৰসাৰ সাধনো ৰাজহুৱা পুথিভঁৰালৰ লক্ষ্যৰ ভিতৰুৱা।

## পুঁজি, নিয়ম প্ৰৱৰ্তন আৰু নেটৱৰ্ক

ৰাজহুৱা পুথিভঁৰালৰ প্ৰবেশ মূল্য আৰু ইয়াৰ সেৱাসমূহ নীতিগতভাৱে সম্পূৰ্ণ বিনামূলীয়া হ'ব লাগে। ৰাজহুৱা পুথিভঁৰালসমূহ স্থানীয় আৰু ৰাষ্ট্ৰীয় কৰ্তৃপক্ষৰ দায়িত্ব। এইসমূহৰ পৰিচালনা আন্তঃৰাষ্ট্ৰীয় সন্ধি আৰু চুক্তিবোৰৰ সৈতে সামঞ্জস্য থকা নিৰ্দিষ্ট আৰু নবীকৃত বিধিসমূহৰ দ্বাৰা সমৰ্থিত হ'ব লাগে। ৰাষ্ট্ৰীয় আৰু স্থানীয় চৰকাৰে এইসমূহৰ বাবে বিত্তীয় সাহায্য আগবঢ়োৱা

উচিত। সংস্কৃতি, তথ্য প্ৰাপ্তি, সাক্ষৰতা আৰু শিক্ষাৰ বাবে গ্ৰহণ কৰা যিকোনো দীৰ্ঘম্যাদী কৌশলৰ হেতু ৰাজহুৱা পুথিভঁৰালসমূহ এক অপৰিহাৰ্য উপাদান হ'ব লাগে।

ডিজিটেল যুগত কপিৰাইট আৰু বৌদ্ধিক সম্পত্তিৰ আইন প্ৰণয়ন কৰাৰ সময়তো ৰাজহুৱা পুথিভঁৰালসমূহক ভৌতিক সম্পদৰ অনুৰূপ যুক্তিসংগত চৰ্তত ডিজিটেল বিষয়বস্তুৰ ক্ৰয় আৰু প্ৰাপ্তি সুনিশ্চিত কৰাৰ সামৰ্থ্য প্ৰদান কৰিব লাগিব।

এইক্ষেত্ৰত পুথিভঁৰালসমূহৰ অন্তৰ্দেশীয় সমন্বয় আৰু সহযোগিতা নিশ্চিত কৰিবলৈ, আইন আৰু কৌশলগত পৰিকল্পনাসমূহেও চুক্তিবদ্ধ সেৱাৰ মানদণ্ডৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰীয় পুথিভঁৰাল নেটৱৰ্কৰ সংজ্ঞাবদ্ধকৰণ আৰু প্ৰসাৰৰ ব্যৱস্থা কৰিব লাগিব।

ৰাজহুৱা পুথিভঁৰাল নেটৱৰ্কৰ পৰিকল্পনা কৰোঁতে ৰাষ্ট্ৰীয়, আঞ্চলিক, গৱেষণাজনিত আৰু অন্যান্য বিশিষ্ট পুথিভঁৰালসমূহৰ লগতে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ পুথিভঁৰালৰ সৈতে সম্পৰ্ক ৰাখি চিন্তা কৰাটো বাধ্যতামূলক।

**পৰিচালনা আৰু ব্যৱস্থাপনা**

এইক্ষেত্ৰত, স্থানীয় সমূদায়ৰ প্ৰয়োজনীয়তাৰ সৈতে সম্পৰ্কিত উদ্দেশ্য, অগ্ৰাধিকাৰ আৰু সেৱাসমূহ সংজ্ঞাবদ্ধ কৰি এক স্পষ্ট নীতি প্ৰণয়ন কৰিব লাগিব। এই প্ৰক্ৰিয়াৰ বাবে থলুৱা জ্ঞান আৰু সমূদায়ৰ অংশগ্ৰহণৰ গুৰুত্ব মূল্যৱান আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত স্থানীয় সমূদায়ৰ মতামত লোৱাটো সমীচিন।

ৰাজহুৱা পুথিভঁৰাল এটিৰ সংগঠন ফলপ্ৰসূ হোৱাৰ লগতে পৰিচালনাৰ ক্ষেত্ৰত পেছাদাৰী মানদণ্ড বজাই ৰখাও প্ৰয়োজন।

সেৱাসমূহ সমাজৰ সকলো সদস্যৰ বাবে ভৌতিক বা আভাসী ক্ষেত্ৰত সুলভ হোৱা উচিত। ইয়াৰ বাবে এক সু-অৱস্থানত, সু-সজ্জিত পুথিভঁৰাল ভৱন, ভাল পাঠ আৰু অধ্যয়নৰ সুবিধা, লগতে প্ৰাসংগিক প্ৰযুক্তি আৰু ব্যৱহাৰকাৰীৰ কাৰণে সুবিধাজনক ভাবে পৰ্যাপ্ত খোলা সময় থকাটো আৱশ্যকীয়। পুথিভঁৰাললৈ ভৌতিক ভাৱে যাব নোৱৰাসকলৰ কাৰণে এইক্ষেত্ৰত বৰ্হিঃমুখী সেৱা (outreach service) ৰো ব্যৱস্থা থকা উচিত।

পুথিভঁৰালৰ সেৱাসমূহ গ্ৰাম্য আৰু চহৰ অঞ্চলৰ বিভিন্ন সমূদায়সমূহৰ নানান প্ৰয়োজনীয়তাৰ লগতে প্ৰান্তীয় গোট, বিশেষ প্ৰয়োজনীয়তা থকা ব্যৱহাৰকাৰী, বহুভাষিক ব্যৱহাৰকাৰী আৰু সমূদায়টোৰ ভিতৰৰ খিলঞ্জীয়া লোকসকলৰ প্ৰয়োজনীয়তাৰ সৈতে সামঞ্জস্য থকা হ'ব লাগিব।

পুথিভঁৰালৰ তত্বাৱধায়কজন আভাসী আৰু পৰম্পৰাগত উভয় ক্ষেত্ৰতে ব্যৱহাৰকাৰী আৰু সম্পদৰ মাজত এক সক্ৰিয় মধ্যস্থতাকাৰী। বৰ্তমান আৰু ভৱিষ্যতৰ বিভিন্ন প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ অপৰিহাৰ্য, পৰ্যাপ্ত সেৱা নিশ্চিত কৰিবলৈ অপৰিমিত মানৱ আৰু বস্তুগত সম্পদৰ লগতে তত্বাৱধায়কজনৰ পেছাদাৰী আৰু অবিৰত শিক্ষা থকাটো প্ৰয়োজনীয়।

পুথিভঁৰাল ব্যৱস্থাটিৰ নেতৃত্ব লোৱাসকলে পুথিভঁৰালৰ অপৰ্যাপ্ত সম্পদৰ পৰিমাণগত আৰু গুণগত সংজ্ঞাৰ বিষয়ে পুথিভঁৰাল পেছাদাৰীসকলৰ সৈতে বিচাৰ-বিবেচনা কৰিব লাগে।

ব্যৱহাৰকাৰীসকলে সকলো সম্পদৰ লাভ আদায় কৰিব পৰাকৈ বৰ্হিঃমুখী আৰু ব্যৱহাৰকাৰী শিক্ষা কাৰ্যসূচীৰ প্ৰচলন কৰা উচিত।

চলি থকা গৱেষণাসমূহে পুথিভঁৰালে পেলোৱা প্ৰভাৱৰ মূল্যায়ন আৰু তথ্য সংগ্ৰহৰ ওপৰত গুৰুত্ব দিব লাগে, যাতে নীতি নিৰ্ধাৰকসকলৰ আগত পুথিভঁৰালে নিশ্চিত কৰা সামাজিক সুবিধাসমূহ প্ৰদৰ্শন কৰিব পৰা যায়। এইক্ষেত্ৰত, পৰিসংখ্যাগত তথ্যসমূহ দীৰ্ঘম্যাদীভাৱে সংগ্ৰহ কৰিব লাগে, কিয়নো বহুসময়ত পুথিভঁৰালজনিত সামাজিক লাভসমূহ পৰৱৰ্তী প্ৰজন্মৰ ক্ষেত্ৰতহে পৰিলক্ষিত হোৱা দেখা যায়।

## অংশীদাৰিত্ব

পুথিভঁৰালসমূহে এক বিস্তৃত আৰু বৈচিত্ৰময় জনসাধাৰণক স্পৰ্শ কৰিবলৈ হ’লে এক অংশীদাৰিত্ব স্থাপন কৰাটো অতিকৈ প্ৰয়োজনীয়। ব্যৱহাৰকাৰী গোট, বিদ্যালয়, বেচৰকাৰী সংস্থা, পুথিভঁৰাল সংস্থা আৰু স্থানীয়, আঞ্চলিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ব্যৱসায়ী অন্যান্য পেছাদাৰীসকলৰ দৰে প্ৰাসংগিক অংশীদাৰসকলৰ সৈতে পুথিভঁৰালসমূহে সহযোগিতা নিশ্চিত কৰিব লাগিব।

## ইস্তাহাৰ কাৰ্যকৰীকৰণ

ৰাষ্ট্ৰীয় আৰু স্থানীয় পৰ্যায়ৰ নীতি-নিৰ্ধাৰণকাৰীসকল আৰু সামগ্ৰিকভাৱে বিশ্বজোৰা পুথিভঁৰাল সম্প্ৰদায়ক এই ইস্তাহাৰত প্ৰকাশ কৰা নীতিসমূহ কাৰ্যকৰী কৰিবলৈ ইয়াৰ দ্বাৰাই আহ্বান জনোৱা হৈছে।

১৮ জুলাই, ২০২২